بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## কুৰজ বিন জাবিৰৰ অভিযান আৰু জি কৰদ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ জানুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ যুগৰ অভিযানৰ কথা বৰ্ণনা হৈ আছে। আজি এই সন্দৰ্ভত মই প্ৰথমে কুৰজ বিন জাবিৰৰ কথা উল্লেখ কৰিম।

এই অভিযান শ্বৱাল মাহৰ ৬ হিজৰী তাৰিখত উৰায়নাৰ ফালে সংঘটিত হৈছিল। কিছুমানৰ দৃষ্টিত এই অভিযান ছাঈদ বিন জায়েদৰ আছিল, কিন্তু বেছিভাগে এই অভিযান কুৰজ বিন জাবিৰৰ বুলি কয়, এইটোও কয় যে এই অভিযান জুবেৰ বিন আব্দুল্লাহ আছিল; কিন্তু এই কথা বাতিল বুলি সাব্যস্ত কৰা হৈছে।

এই অভিযানৰ বিস্তাৰিত বিৰৰণ এনেকুৱা যে উকেল আৰু উৰায়না জাতিৰ প্ৰায় আঠজন মানুহ আঁহজৰত (ছাঃ)ৰ সেৱালৈ আহে যিসকল অসুস্থ আছিল, তেওঁলোকে কয় যে আমাক নিৰাপত্তা দিয়ক আৰু আমাৰ বাবে আহাৰৰ যোগান ধৰক। তেওঁলোক মছজিদে নবৱীত অৱস্থান কৰে আৰু অতি সোনকালে তেওঁলোকে সুস্থ্য হৈ উঠে কিন্তু মদিনাৰ জলবায়ু তেওঁলোকৰ বাবে ঠিক নাছিল। গতিকে তেখেত (ছাঃ)ৰ অনুমতি আৰু নিৰ্দেশ মৰ্মে তেওঁলোকে উটৰ চৰণীয়া পথাৰলৈ গৈছিল। আঁহজৰত (ছাঃ)ৰ অসীম কৃপাৰ ফলত তেওঁলোকে উটৰ চৰণীয়া পথাৰলৈ যোৱাৰ পিছত কাফিৰ হৈ যায় আৰু উটবিলাক খেদি খেদি নিজৰ লগতে লৈ যায়, তেওঁলোকে আৰোগ্য লাভ কৰাৰ পিছত আঁহজৰত (ছাঃ)ৰ সৈতে প্ৰৱঞ্চনা কৰে। আঁহজৰত (ছাঃ)ৰ স্বাধীন গোলাম ইছাৰ আৰু তেওঁৰ কিছুমান লগৰীয়াই তেওঁলোকৰ পিছানুসৰণ কৰে

তেওঁলোকে মুছলমানসকলৰ সৈতে যুদ্ধ কৰি নিৰ্মম ভাৱে ইছাৰৰ হাত কাণ কাটি পেলায়, তেওঁৰ চকু আৰু মুখত কাঁইট বিন্ধুৱাই শ্বহীদ কৰি পেলালে। তাৰ পিছত তেওঁলোকে চৰণীয়া পথাৰলৈ আগবাঢ়ি তেওঁৰ লগৰীয়াসকলৰ সকলোকে হত্যা কৰি পেলায়। এজন ব্যক্তি ৰক্ষা পাইছিল, তেওঁ আঁহজৰত (ছাঃ)ৰ সেৱাত উপস্থিত হৈ কৈছিল যে তেওঁলোকে মোৰ লগৰীয়া সকলক হত্যা কৰি পেলাইছে; আৰু উটবোৰক খেদি খেদি লৈ গৈছে। এই সংবাদ পোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে বিছজন মানুহৰ এটা দল ৰাওনা কৰে; তেখেত (ছাঃ)ৰ প্ৰাৰ্থনাৰ বাবে সেইদিনা বা আগদিনা সেই লোকসকলক গ্ৰেপ্তাৰ কৰি তেখেত (ছাঃ)ৰ সন্মুখত উপস্থিত কৰা হয়।

বিভিন্ন বৰ্ণনা অনুযায়ী আঁহজৰত (ছাঃ)য়ে সিহঁতৰ সৈতে তেনেকুৱাই আচৰণ কৰিছিল যিদৰে তেওঁলোকে মুছলমান সকলৰ সৈতে উট ৰখীয়া সকলৰ সৈতে ব্যৱহাৰ কৰিছিল। কিন্তু তেতিয়া মুছলে (হাত, ভৰি কাণ কাটি পেলোৱা)ৰ নিষেধাজ্ঞাৰ ইছলামী শিক্ষা অৱতীৰ্ণ হোৱা নাছিল, পিছত যেতিয়া এই নিষেধাজ্ঞাৰ শিক্ষা অৱতীৰ্ণ হয় তেতিয়া আঁহজৰত (ছাঃ)য়ে যিকোনো সেনা ৰাওনা কৰোঁতে তেওঁলোকক মুছলে (হাত, কাণ কাটি পেলোৱাটো) নিষেধ কৰিছিল আৰু দান-বৰঙণিৰ শিক্ষা দিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে কৈছে যে মুছলমান সকলৰ বাবে এই দিন বৰ ভয়াবহ আছিল; কিয়নো কুৰাইছ আৰু ইহুদীসকলৰ উচটনিৰ কাৰণে গোটেই ৰাষ্ট্ৰত তেওঁলোকৰ শত্ৰুতাৰ জুই জ্বলি উঠিছিল; আৰু তেওঁলোকে নতুন নীতি অনুসৰি এই সিদ্ধান্ত লৈছিল যে মদিনাত ধাৰাবাহিক আক্ৰমণৰ পৰিৱৰ্তে মুছলমান সকলক প্ৰতাৰণাৰ দ্বাৰা ক্ষতি কৰা হওঁক।

সেই অত্যাচাৰীসকলক শাস্তি দিয়া সন্দৰ্ভত হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে, এই ঘটনাত অত্যাচাৰৰ আৰম্ভণি কাফিৰসকলৰ তৰফৰ পৰা হৈছিল, এই সিদ্ধান্তও ইহুদীসকলৰ চৰিয়ত অনুসৰি কৰা হৈছিল; তথাপি ইছলামে ইয়াক অব্যাহত ৰখা নাই, পৰৱৰ্তীত এনেকুৱা পদ্ধতি অৱলম্বন কৰাৰ পৰা নিষেধ কৰা হৈছে।

তেখেত (ছাঃ)য়ে কৈছে যে কিছুমান পশ্চিমীয়া গৱেষক সকল যাৰ মাজত মিউৰ চাহাবও অন্তৰ্ভুক্ত এই ঘটনাৰ কথা উল্লেখ কৰি অভ্যাস অনুসৰি আপত্তি কৰিছে, তেওঁ কৈছে যে এই ঘটনা সন্দৰ্ভত ইছলামৰ শিক্ষা একেবাৰে শান্তিপূৰ্ণ পৱিত্ৰ বুলি দেখা যায়, কিয়নো এই সিদ্ধান্ত দৰাচলতে ইছলামৰ নাছিল বৰঞ্চ হজৰত মুছা (আঃ)ৰ আছিল, তেখেতৰ শিক্ষাক হজৰত ঈছা (আঃ)য়ে বাতিল বুলি সাব্যস্ত কৰা নাই, বৰং সেই শিক্ষাক অব্যাহত ৰাখিছে। হয়, যদি আমাৰ আপত্তিকাৰীসকলৰ দৃষ্টিকোণত হজৰত মছীহৰ এই শিক্ষা যে এটা গালত থাপ্পৰ খাই আনখন গাল পাতি দিয়া শিক্ষাটোৰ ওপৰত প্ৰশ্ন উত্থাপন হয় যে এই শিক্ষা কোনো বিবেকবান ব্যক্তিৰ দৃষ্টিত গ্ৰহণযোগ্য কৰ্ম হয় নে ? আজিলৈকে কোনো খ্ৰীষ্টান পুৰুষ বা মহিলাই বা কোনো খ্ৰীষ্টান দলে বা শাসকে এই শিক্ষাৰ ওপৰত কাৰ্যকৰী হৈছে নে ? মেম্মাৰত উঠি উপদেশ কৰাৰ বাবে যদিও এই শিক্ষা উত্তম, কিন্তু কৰ্ম ক্ষেত্ৰত পৃথিৱীত এই শিক্ষাৰ কোনো গুৰুত্ব নাই।

কৈছে ইছলামে বিশৃংখলাৰ বাট ত্যাগ কৰি মধ্য স্তৰৰ শিক্ষা প্ৰদান কৰে যিটো হৈছে পৃথিৱীত প্ৰকৃত শান্তি স্থাপন কৰাৰ ভেঁটি। প্ৰতিটো বেয়াৰ শাস্তি তেওঁৰ উপযুক্ত পৰিস্থিতি আৰু তেওঁৰ উগ্ৰতা অনুসৰি হোৱা উচিত; কিন্তু যদি পৰিস্থিতি এনেকুৱা হয় যে মাৰ্জনা কৰা বা কোমলতাৰ ফলত সংশোধনৰ প্ৰত্যাশা থাকে তেন্তে ক্ষমা কৰাটোৱে উত্তম আৰু এনেকুৱা ব্যক্তি খোদা তা'লাৰ দৃষ্টিত পুণ্য প্ৰতিদান পোৱাৰ যোগ্য। ইছলামে এই বাধ্যবাধকতা কৰিছে যে তেওঁ যেন সীমা লঙ্ঘন কৰি নেযায়, আৰু মুছলা (হাত, নাক কাটি

পেলোৱা)ৰ পশুসূলভ আচৰণক বন্ধ কৰি দিছে। ইয়াৰ বিপৰীতে খ্ৰীষ্টান লোকসকলে হজৰত মছীহ নাছিৰিৰ এই প্ৰদৰ্শনীয় শিক্ষাক যিটো বাহ্যিক কৰ্ম ক্ষেত্ৰত শত্ৰুসকলৰ সৈতে আচৰণ কৰে আৰু যুদ্ধতও কাৰ্যকৰী হৈ থাকে আৰু হৈ আছে সেইটো বিশ্বজগতত এটা মুকলি পৃষ্ঠা যাক পুনৰাবৃত্তি কৰা ইয়াত প্ৰয়োজন নাই, সিহঁতে কি নকৰে।

এতিয়া এটা যুদ্ধৰ কথা উল্লেখ কৰিম যাক জি কৰদৰ যুদ্ধ বুলি কোৱা হয়। এই সন্দৰ্ভত জীৱনী লেখক আৰু মুহাদ্দীছ সকলৰ মাজত এই যুদ্ধ কেতিয়া সংঘটিত হৈছিল এই বিষয়ে মতানৈক্য আছে। মুহাদ্দিছ সকলে এইটোক ছুলাহ হুদায়বিয়াৰ পিছত  খায়বৰৰ যুদ্ধৰ আগতে সংঘটিত হোৱা বুলি কয়, কিন্তু জীৱনী লেখকসকলে লাহিয়ান যুদ্ধৰ পিছত হোৱা বুলি কয়। ইমাম বুখাৰী আৰু ইমাম মুছলিমে ইয়াক খায়বৰ যুদ্ধৰ তিনি দিন আগতে সংঘটিত হোৱা বুলি কয়। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই যুদ্ধক মহৰম মাহৰ ৭ হিজৰী তাৰিখৰ যুদ্ধ বুলি বৰ্ণনা কিৰছে।

এই যুদ্ধৰ বিৱৰণ এইদৰে যে ৰছুলুল্লাহ (ছাঃ)ৰ ২০ টা গাখীৰ দিয়া উটৰ বাহিৰে কিছু আৰু উট আছিল। এই উটবোৰ চৰণীয়া পথাৰত চৰোৱাইছিল আৰু এজন উটৰ ৰখীয়ালে সদায় সন্ধিয়া সময়ত সেই উটবোৰৰ  গাখীৰ ৰছুলুল্লাহ (ছাঃ)ৰ সেৱাত লৈ আহিছিল। এদিনাখন আয়িনা ফাজাৰীয়ে বনু গোথফানৰ চল্লিছ অশ্বাৰোহীসহ সেই উটৰ ৰখীয়াল জনৰ ওপৰত আক্ৰমণ কৰি উটবোৰৰ লৈ গুচি যায়। আক্ৰমণ কৰা সময়ত তেওঁলোকে হজৰত আবু জৰৰ পুত্ৰক হত্যা কৰি পেলায় যিজন সেই উটবোৰৰ ৰখীয়াল আছিল, লগতে হজৰত আবু জৰৰ স্ত্ৰী লায়লাক বন্দী কৰি লৈ যায়। আয়িনা আহজাবৰ যুদ্ধৰ সময়ত কবিলা বনু ফাজাৰাৰ চৰ্দাৰ আছিল। আয়িনাই মক্কা বিজয়ৰ পিছত বা এটা বৰ্ণনা অনুযায়ী মক্কা বিজয়ৰ আগতেই ইছলাম গ্ৰহণ কৰিছিল, তেওঁ হুনাইনৰ যুদ্ধ আৰু তায়েফত অংশ গ্ৰহণ কৰিছিল। নবী কৰিম (ছাঃ)য়ে তেওঁক বনি তামিমক দমন কৰাৰ বাবে পঞ্চাছ অশ্বাৰোহী সহ পঠিয়াইছিল। মুহাজিৰ আৰু আনছাৰ চাহাবী সকলৰ মাজৰ কোনেও এইটোত উপস্থিত নাছিল। ছিদ্দিকৰ যুগত এইজন ব্যক্তি ধৰ্মত্যাগী হয়, তালিহাৰ দাবীৰ পিছত তেওঁৰ সৈতে যোগদান কৰি তেওঁৰ বয়াত গ্ৰহণ কৰে। যেতিয়া তেওঁ (আয়িনা) বন্দী হৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত আহে তেতিয়া তেখেত (ৰাঃ)য়ে তেওঁৰ ওপৰত অনুগ্ৰহ কৰি ক্ষমা কৰি দিয়ে, ইয়াৰ পিছত তেওঁ পুনৰায় ইছলাম গ্ৰহণ কৰে।

ইয়াৰ বিস্তাৰিত বিৱৰণত লিখা আছে যে আয়িনাৰ আক্ৰমণৰ আগতেই হজৰত আবু জৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা উটবোৰক চৰণীয়া পথাৰলৈ লৈ যোৱাৰ অনুমতি বিচাৰিছিল। তেখেত (ছাঃ)য়ে কৈছিল মোৰ তোমাৰ সন্দৰ্ভত এইটো ভয় আছে যে শত্ৰুৱে যেন তোমাৰ ওপৰত আক্ৰমণ নকৰে; কিয়নো আমি আয়িনা আৰু তেওঁৰ লগৰীয়াৰ পৰা নিৰাপদ নহয় আৰু এই ঠাইবোৰ তেওঁলোকৰ কাষতীয়া। হজৰত আবু জৰ (ৰাঃ)য়ে জোৰ দিলে তেতিয়া আঁহজৰত (ছাঃ)য়ে কলে যে তোমাৰ ল’ৰাৰ হত্যা আৰু তোমাৰ ঘৈনীয়েকক গ্ৰেপ্তাৰ কৰি ল’ব বুলি মোৰ ভয় আছে তেতিয়া তুমি লাঠীৰ সহাৰি লৈ আহিবা। হজৰত আবু জৰ কৈছে  যে আশ্চৰ্য যে মোৰ সন্দৰ্ভত ৰছুলুল্লাহ (ছাঃ)য়ে এইদৰে কৈ আছিল যে মোৰ তোমাৰ সন্দৰ্ভত ভয় হৈ আছে তথাপি মই জোৰ দি থাকিলো। খোদাৰ শপত তেনেকুৱা ঘটনাই ঘটিলে যিদৰে তেখেত (ছাঃ)য়ে কৈছিল। মই ঘৰতে আছিলো আৰু আঁহজৰত (ছাঃ)ৰ উটবোৰ চোতালত উভতাই অনা হৈছিল। সেইবোৰক প্লাৱিত কৰা হৈছিল অৰ্থাৎ পানী পান কৰোৱাই আহাৰ দিয়া হৈছিল। সেই উটবোৰৰ গাখীৰ দোহন কৰা হৈছিল। আমি টোপনি মাৰি আছিলো, নিশাৰ সময়ত আয়িনাই চল্লিছ অশ্বাৰোহীৰে সৈতে আমাৰ ওপৰত আক্ৰমণ

কৰে। তেওঁলোকে মাত দিয়ে যাৰ ফলত মোৰ ল'ৰা বাহিৰলৈ ওলাই আহে; তেতিয়া তেওঁলোকে মোৰ ল'ৰাক হত্যা কৰি পেলায়।

এই সন্দৰ্ভত হজৰত ছালমা বিন আকুআৰ শত্ৰুক ঘেৰাও কৰাৰ উল্লেখ পোৱা যায়; ছালমা বিন আকুৱাই উটবোৰ লৈ যোৱা সকলক ঘেৰাও কৰি তেওঁলোকৰ ওপৰত ভীষণ আক্ৰমণ চলাই কেইবাটাও উট উভতাই অনাত সফল হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া এই ঘটনা জানিব পাৰে তেতিয়া মদিনাত একত্ৰিত হোৱাৰ ঘোষণা কৰি দিলে যে এই ঘোষণাৰ পিছত বিজ্ঞ চাহাবাসকলে উপস্থিত হয়, ৰছুলুল্লাহ (ছাঃ)য়ে ছাআদ বিন জায়েদ (ৰাঃ)ক আমিৰ নিযুক্ত কৰি তেওঁলোকক ঘেৰাও কৰাৰ বাবে ৰাওনা কৰি ৰছুলে কৰিম (ছাঃ)য়ে নিজেই পাঁচ শ  বা সাত শ চাহাবৰ সৈতে ৰাওনা হয়।

হুজুৰ (ছাঃ)য়ে মিকদাৰ বিন আছৱাদ (ৰাঃ)ৰ বল্লমৰ ওপৰত পতাকা বান্ধে, এই অভিযানত এটা ঘটনাৰ উল্লেখ এইদৰে পোৱা যায় যে ইবনে ইছহাকৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, আবু আয়াশ তুমি নিজৰ ঘোঁৰা এনেকুৱা এজন ব্যক্তিক দিবা নে যিজন তোমাতকৈ উত্তম অশ্বাৰোহী যিয়ে শত্ৰুৰ সৈতে মোকাবিলা কৰিব পাৰে। হজৰত আয়াশ (ৰাঃ)য়ে কলে যে হে আল্লাহৰ ৰছুল ! মই সকলোতকৈ ভাল অশ্বাৰোহী, তেওঁ কৈছে যে মই আঁহজৰত (ছাঃ)ক এই কথাষাৰ কৈ দিলো, তাৰ পিছত মই ঘোঁৰাক চাবুক মাৰিলো কেৱল পঞ্চাচ গজ অতিক্ৰম কৰিছিল যে ইমানতেই তেওঁ মোক মাটিত পেলাই দিলে। মই আশ্চৰ্য হৈছিলো যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে ঘোঁৰা তোমাতকৈ ভাল অশ্বাৰোহীক দি দিয়া আৰু মই কৈ আছিলো যে মই উত্তম অশ্বাৰোহী। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে আবু আয়াশ (ৰাঃ)ৰ  এই ঘোঁৰা হজৰত মাআজ বিন আছ (ৰাঃ)ক দিয়ে। এই যুদ্ধত চাহাবা সকলে বৰ বীৰত্ব প্ৰদৰ্শন কৰি মনে প্ৰাণে যুঁজ দিছিল, কিছুমান চাহাবা সকলে বীৰত্ব দেখুৱাই শ্বহীদ হৈছিল।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বিৱৰণ আগলৈ অব্যাহত থাকিব বুলি কয়।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 24 JANUARY 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB